# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

Date : 03-01-2026
**Time :** 18-00 Hrs.

***Assamese Evening Bulletin***

১। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ৭ জন অভিযুক্তৰ বিৰুদ্ধে আজি তৃতীয়টো শুনানি গ্ৰহণ। অহা ১৭ জানুৱাৰীত পৰৱৰ্তী শুনানি।

২। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ আজি ধেমাজীত বানৰ ক্ষয়-ক্ষতিৰ সম্পৰ্কত আলোচনা।

৩। ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ অন্তৰ্গত তিপমীয়া ধোৱা পথাৰ বৰনামঘৰ প্ৰাংগনত আজিৰে পৰা সদৌ অসম মৃদঙীয়া গায়ন-বায়ন সংস্থা, অসমৰ দ্বিতীয় দ্বি-বাৰ্ষিক পূৰ্ণাংগ ৰাজ্যিক অধিৱেশন। ***আৰু***

৪। কাছাৰত মন্ত্ৰী কৌশিক ৰায় স্বাস্থ্যৱান শ্ৰমিক যোজনা প্ৰকল্প উদ্বোধন।

ooooo

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আজি ৭ জন অভিযুক্তৰ বিৰুদ্ধে কামৰূপ মহানগৰ জিলা ছেছন ন্যায়াধীশৰ আদালতত তৃতীয়টো শুনানী গ্ৰহণ কৰা হয়। শুনানী কালত কাৰাৰুদ্ধ ৭ গৰাকী অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দীপন গাৰ্গ, নন্দেশ্বৰ বৰা, পৰেশ বৈশ্য, শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তৰ ভাৰ্চুৱেল ব্যৱস্থাৰে শুনানী গ্ৰহণ কৰে। অভিযুক্তকেইজনৰ হৈ তেওঁলোকৰ অধিবক্তাই জামিন আৱেদন দাখিল কৰে। অমৃতপ্ৰভা মহন্তৰ লগতে শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰজ্যোতি গোস্বামীয়ে নিজাববীয়াকৈ অধিবক্তা লাভ কৰিছে। সন্দীপন গাৰ্গ, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ হৈ আইন সেৱা প্ৰাধিকাৰীয়ে নিয়োগ কৰা অধিবক্তাই জামিন আবেদন দাখিল কৰে। অৱশ্যে ন্যায়ালয়ে এই আবেদন সন্দৰ্ভত ৰায়দান সংৰক্ষিত ৰাখে। ১৭ জানুৱাৰীত এই আবেদন সন্দৰ্ভত শুনানী গ্ৰহণ কৰা হ'ব আৰু চৰকাৰী পক্ষৰ অধিবক্তাই সেইদিনাই এই জামিন আবেদনৰ বিৰুদ্ধে আপত্তি দৰ্শাব। এই শুনানীতে অভিযুক্তসকলৰ বিচাৰৰ ধাৰা নিশ্চিত কৰা হ'ব। উল্লেখযোগ্য যে, আটাইকেইগৰাকী অভিযুক্তই এই গোচৰৰ বাবে অধিবক্তা লাভ কৰিছে। আজি এই শুনানী কালত উপস্থিত থকা জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে শুনানীৰ অন্তত চৰকাৰী লোক অধিবক্তাগৰাকীক সহায়ৰ বাবে নিজাববীয়াকৈ প্ৰদীপ্ত তালুকদাৰ নামৰ এজন অধিবক্তাক নিয়োগৰ অনুমতি বিচাৰি আবেদন দাখিল কৰে। আদালতে এই আবেদন গ্ৰহণ কৰি অধিবক্তাগৰাকীক নিয়োগৰ বাবে অনুমতি দিয়ে। শ্ৰীমতী গাৰ্গে শুনানীৰ পাছত এই বিচাৰ প্ৰক্ৰিয়া ক্ষীপ্ৰ কৰাৰ লগতে দোষীক উচিত শাস্তি প্ৰদানৰ বাবে বিশেষ আদালতত বিচাৰ প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনাইছে বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

ইপিনে, সদৌ অসম উকীল সন্থায়ো এই গোচৰৰ বিচাৰ ফাষ্ট ট্ৰেক আদালতৰ জৰিয়তে কৰাৰ লগতে কমেও ১০-১২ জন অধিবক্তাৰ এটা দল গঠন কৰি এই বৃহৎ অভিযোগনামা দাখিল হোৱা গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়া সুচলভাৱে কৰিবলৈ আহ্বান জনাইছে। এই সন্দৰ্ভত অধিবক্তা অপূৰ্ব কুমাৰ শৰ্মাই এইদৰে কয় -

-বাইট-

ooooo

শিক্ষা, ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলা প্ৰশাসন আৰু পঞ্চায়ত প্ৰতিনিধিসকলৰ সৈতে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ উদ্যোগত অহা ৭ জানুৱাৰীত

ধেমাজিত হ'বলগীয়া প্ৰাৰম্ভিক পুঁজিৰ চেক বিতৰণ অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে সেইদিনা সমষ্টিটোৰ ৩২ হাজাৰৰো অধিক উদ্যমী মহিলাৰ মাজত আঁচনিখনৰ অধীনত চেক বিতৰণ কৰিব।

মন্ত্ৰীগৰাকীয়ে আজি ধেমাজি বিধানসভা সমষ্টিৰ অন্তৰ্গত জয়ৰামপুৰ গাঁও পঞ্চায়তৰ ২ নম্বৰ বৈজন্তীপুৰ ৱাৰ্ডৰ ৰাইজৰ সৈতে অঞ্চলটোৰ বান সমস্যা সম্পৰ্কে আলোচনা কৰে। প্ৰতি বছৰে এই অঞ্চলটোত চিলনী, গেৰমেৰ আৰু তৰাজান নৈৰ বাঢ়নী পানীয়ে কৰা ক্ষয়-ক্ষতি সম্পৰ্কে মন্ত্ৰীগৰাকীয়ে বুজ লয়। মন্ত্ৰীগৰাকীয়ে লোক-নিৰ্মাণ পথ বিভাগৰ লগতে অন্যান্য বিভাগীয় বিষয়াসকলৰ সৈতে বানৰ পাছত হোৱা আন্তঃগাঁথনিৰ ক্ষয়-ক্ষতি পূৰণৰ বিষয়ে আলোচনা কৰে।

ডাঃ পেগুৱে আজি ধেমাজি জিলাৰ গোগামুখত এইচ ডি এফ চি বেংকৰ কোম্পানী সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত গোগামুখ চিকিৎসালয় উন্নীতকৰণ প্ৰকল্পৰ উদ্বোধন কৰে। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে কয়, যে এই প্ৰকল্পই অঞ্চলটোৰ প্ৰাথমিক আৰু সমূহীয়া স্বাস্থ্য ব্যৱস্থা সুদৃঢ় কৰিব। তেওঁ লগতে অঞ্চলটোৰ জনস্বাস্থ্যৰ উন্নয়ন আৰু মানৱ কল্যাণৰ দিশত অমূল্য অৱদান আগবঢ়োৱাৰ বাবে গ্ৰাম্য উন্নয়ন ন্যাস আৰু এইচ ডি এফ চি বেংকক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০

ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ অনন্তৰ্গত তিপমীয়া ধোৱা পথাৰ বৰনামঘৰ প্ৰাংগনত আজিৰে পৰা সদৌ অসম মৃদঙীয়া গায়ন-বায়ন সংস্থা, অসমৰ দ্বিতীয় দ্বি-বাৰ্ষিক পূৰ্ণাংগ ৰাজ্যিক অধিৱেশন আৰু অখণ্ড ভাগৱত পাঠ অনুষ্ঠিত হৈছে। স্থানীয় বিধায়ক তথা ৰাজ্যৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, মন্ত্ৰী যোগেন মহনকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে আজি অধিৱেশনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে। আজি দেৱ বাদ্য মৃদংগৰ পবিত্ৰ ধ্বনিৰে মুখৰিত আধ্যাত্মিক পৰিবেশত মৃদঙীয়া গায়ন-বায়ন সংস্থাৰ পতাকা উত্তোলন কৰা হয়। তাৰ পাছতে স্মৃতি তৰ্পন আৰু ভাগৱত ভ্ৰমণ, গ্ৰন্থ আৰু বাণিজ্য মেলাৰ শুভাৰম্ভ কৰা হয়। অখণ্ড ভাগৱত পাঠ অনুষ্ঠানত শ্ৰীশ্ৰীআউনীআটি সত্ৰৰ সত্ৰাধিকাৰ ডº পীতাম্বৰ দেৱগোস্বামী উপস্থিত থাকে। অধিবেশনথলীত মঞ্চ, থকা-খোৱা, ভকত-বৈষ্ণৱৰ বাবে সা-সুবিধা, শৃংখলা আৰু সুৰক্ষাৰ সু-ব্যৱস্থা কৰা হৈছে। এই অধিবেশনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বহু ভকত বৈষ্ণৱ তথা আইসকলৰ আগমন ঘটিছে। এই কাৰ্যসূচী ৭ দিন ধৰি চলিব।

০০০০০

খাদ্য আৰু ৰাজহুৱা বিতৰণ, গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰায়ে আজি কাচাৰ জিলাৰ দেৱান চাহ বাগিচাত স্বাস্থ্যৱান শ্ৰমিক যোজনা নামৰ এটা পৰীক্ষামূলক প্ৰকল্প উদ্বোধন কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয়, যে এই প্ৰকল্পৰ জৰিয়তে চাহ শ্ৰমিকসকলৰ স্বাস্থ্য সুবিধা, সজাগতা আৰু কল্যাণ সুনিশ্চিত কৰাৰ বাবে বিশেষ পদক্ষেপ লোৱা হৈছে।

-বাইট (কৌশিক ৰয়)-

এই যোজনাৰ অধীনত উচ্চ ৰক্তচাপ আৰু ডায়বেটিছকে ধৰি অসংক্ৰামক ৰোগৰ পৰীক্ষা চিকিৎসা, বয়স নিৰ্বিষেশে ৰক্তাল্পতা আৰু পুষ্টিহীনতাৰ নিদান, যক্ষ্মা আৰু কুষ্ঠ ৰোগৰ চিকিৎসা আৰু ড্ৰাগছ্ তথা মাদক দ্ৰব্য সেৱনৰ ক্ষতিকাৰক প্ৰভাৱৰ বিষয়ে সজাগতা সৃষ্টিত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। উল্লেখযোগ্য যে, চাহ শ্ৰমিকৰ স্বাস্থ্য সুৰক্ষা আৰু কল্যাণ নিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে ৰাজ্যৰ ৮০০ খন চাহ বাগিচাৰ ভিতৰত বচা বচা ২০ খন বাগিছাত এই প্ৰকল্প আৰম্ভ কৰা হৈছে।

০০০০০

নগাঁও আৰক্ষীয়ে আজি পুৰা গোপন সূত্ৰৰ পম খেদি কাটিমাৰি গ্ৰাণ্টত অভিযান চলাই বুজন পৰিমাণৰ ভাংসহ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰী দুজন কাটিমাৰী গ্ৰাণ্টৰ আব্দুল দুলাল আৰু ছেলিমা বেগম বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে তেওঁলোকৰ জিম্মাৰ পৰা আঢ়ৈ কিলোগ্ৰাম ভাং জব্দ কৰে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত লোক দুজনক জেৰা কৰি আছে।

00000

লখিমপুৰ জিলা সোৱনশিৰি মহাবিদ্যালয়ৰ সভাকক্ষত আয়োজিত বিজেপিৰ ঢকুৱাখনা জিলা আৰু লখিমপুৰ জিলাৰ নিৰ্বাচনী প্ৰবন্ধন সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। সমাগত নিৰ্বাচন সন্দৰ্ভত আলোচনা হোৱা এই বৈঠকত স্থানীয় সাংসদ প্ৰদান বৰুৱা, বিধায়কদ্বয় মানৱ ডেকা, নৱ কুমাৰ দলে, স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ভৈৰৱ দেউৰী, লখিমপুৰ জিলা পৰিষদৰ সভানেত্ৰী ছোনীয়া বৰগোহাই আদিকে ধৰি দলটোৰ কেইবাজনো জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

00000

ৰাজ্যত উচ্ছেদ অভিযান নিৰন্তৰ চলি থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে অনুপ্ৰবেশকাৰীক চিনাক্ত কৰি দেশৰ পৰা বহিস্কাৰ কৰা কাৰ্যও চলি থাকিব মন্তব্য কৰে।

ইপিনে, হোজাই জিলাৰ ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ বিঘা ভূমিত প্ৰশাসনৰ উচ্ছেদ আজি দ্বিতীয় দিনাও অব্যাহত আছে। এই অভিযানৰ জৰিয়তে অঞ্চলটোত ৩০-৪০ বছৰ ধৰি অবৈধভাৱে বাস কৰি থকা এহেজাৰ ২৫০ টা পৰিয়ালৰ ভিতৰত এহেজাৰ ৯৮টা পৰিয়ালক উচ্ছেদ কৰাৰ লক্ষ্য লোৱা হৈছে। বন বিভাগে বনাঞ্চলখনত জৰীপ চলাই কেইবাহাজাৰ বিঘা ভূমি অবৈধ দখলকাৰীৰ কবলত থকাৰ তথ্য লাভ কৰাৰ পাছত এহেজাৰ ২০০ৰো অধিক দখলকাৰীলৈ জাননী প্ৰেৰণ কৰিছিল। ইয়াৰে ১৫০টা পৰিয়ালে সকাহ বিচাৰি উচ্চ ন্যায়ালয়ৰ কাষ চপাত সাময়িকভাৱে এই পৰিয়ালকেইটাৰ ভূমিত উচ্ছেদ স্থগিত ৰখা হৈছে। উচ্ছেদথলীত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰবাবে কেইবাশ আৰক্ষী আৰু চি আৰ পি এফৰ জোৱান নিয়োগ কৰা হৈছে।

00000

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত গ্ৰন্থবৰ্ষ, গ্ৰন্থৰ চাহিদা আৰু ভৱিষ্যত সম্পৰ্কত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত বিশিষ্ট প্ৰকাশক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° সূৰ্যকান্ত হাজৰিকা আৰু লেখক, অনুবাদক মনস্বিনী ৰুণুমী মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

00000

সমাপ্ত